Under CSR Support by ipca | Foundation missiongyan

# অধ্যায় – ৭ | : জতুৱাৰ জঁট

## QUIZ-01

**১. কবিৰ ভাগৰুৱা আত্মাই ক’ত জিৰণি ল’ব বুলি কবিতাটিত উল্লেখ কৰিছে ?**
ক) জনমভূমিৰ কোলাত
খ) জনমভূমিৰ ছায়াত
গ) শীতলী কোলাত
ঘ) ওখ বিৰিখত
**Answer:- খ) জনমভূমিৰ ছায়াত**

**২. তলৰ কোনটো শব্দই ‘জনম’ শব্দৰ বিপৰীত অৰ্থ বুজাব ?**
ক) শেষ
খ) মৰম
গ) প্ৰথম
ঘ) মৰণ
**Answer:- ঘ) মৰণ**

**৩. কবিয়ে ‘জনমভূমি’ কবিতাটিৰ দ্বাৰা মূলতঃ কি বুজাব বিচাৰিছে ?**
ক) কবিৰ ওপজা ঠাইখনক জীৱনে মৰণে ভালপোৱাৰ কথা
খ) আইৰ কোলাত প্ৰথমে চকু মেলাৰ কথা
গ) পখী হৈ আকাশত উৰি ফুৰাৰ কথা
ঘ) সোণোৱালী মেঘ হৈ ৰঙা হাঁহি বিৰিঙোৱাৰ কথা
**Answer:- ক) কবিৰ ওপজা ঠাইখনক জীৱনে মৰণে ভালপোৱাৰ কথা**

**৪. কবিয়ে কিদৰে আইৰ শেঁতা পৰা দুখনি ওঁঠত ৰঙা হাঁহি বিৰিঙাম বুলি কৈছে ?**
ক) নদী হৈ
খ) আকাশৰ তৰা হৈ
গ) সোণোৱালী মেঘ হৈ
ঘ) পখী হৈ
**Answer:- গ) সোণোৱালী মেঘ হৈ**

**৫. ‘পখী হৈ ______**
**বুকুত ফুৰিম উৰি**
**বাহ ল’ম ওখ বিৰিখত ‘**
**তলত দিয়া শব্দবোৰৰ পৰা সঠিক শব্দটো বাছি ওপৰৰ কবিতাংশৰ খালী ঠাই সম্পূৰ্ণ কৰা ।**
ক) আকাশৰ
খ) পৰ্বতৰ
গ) বিৰিখৰ
ঘ) হিমালয়ৰ
**Answer:- ক) আকাশৰ**

**৬। জনমভূমি কবিতাটো কোনে ৰচনা কৰিছিল?**
ক) নৱকান্ত বৰুৱা
খ) মিত্ৰদেৱ মহন্ত
গ) এম ইব্ৰাহিম আলী
ঘ) নলিনীবালা দেৱী
**Answer: ঘ) নলিনীবালা দেৱী**

**৭। কবিয়ে কাৰ কোলাত প্ৰথমে চকু মেলাৰ কথা কৈছে?**
ক) নিজৰ আইৰ কোলাত
খ) নিজৰ দেউতাকৰ কোলাত
গ) নিজৰ আইতাকৰ
ঘ) নিজৰ মাহীয়েকৰ কোলাত
**Answer: ক) নিজৰ আইৰ কোলাত**

**৮। কবিয়ে পখী হৈ ক'ত বাহ ল'ম বুলি কৈছে?**
ক) গছত
খ) বেলেগৰ ঘৰত
গ) হাবিৰ মাজত
ঘ) ওখ বিৰিখত
**Answer: ঘ) ওখ বিৰিখত**

**৯। কবি নলিনীবালা দেৱীৰ কিমান চনত জন্ম হৈছিল?**
ক) ১৮৯৫ চনত
খ) ১৮৯৪ চনত
গ) ১৮৮৭ চনত
ঘ) ১৮৯৮ চনত
**Answer: ঘ) ১৮৯৮ চনত**

**১০। কবি নলিনীবালা দেৱীৰ ক'ত জন্ম হৈছিল?**
ক) বৰপেটাত
খ) সৰুপেটাত
গ) যোৰহাটত
ঘ) নলবাৰীত
**Answer: ক) বৰপেটাত**

মিছনজ্ঞান
যব চাহেঁ, জহাঁ চাহেঁ, জৈসে চাহেঁ।
100% FREE!
Video COURSES | QUIZ | PDF | TEST SERIES
Download Mission Gyan App